সেই সত্তাৰ শপত! যাৰ হাতত মোৰ প্ৰাণ আছে। এই ছুৰাটো হৈছে সমগ্ৰ কোৰআনৰ এক তৃতীয়াংশৰ সমান।

আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, এজন ব্যক্তিয়ে আন এজন ব্যক্তিক (ক্বুল হুৱাল্লাহু আহাদ) বাৰে বাৰে পাঠ কৰা শুনিলে। পিছদিনা পুৱাৰ ভাগত তেওঁ বিষয়টো ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক জনালে। ব্যক্তিজনে বিষয়টোক নগণ্য
জ্ঞান কৰিছিল। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "সেই
সত্তাৰ শপত! যাৰ হাতত মোৰ প্ৰাণ আছে। এই ছুৰাটো হৈছে সমগ্ৰ কোৰআনৰ এক তৃতীয়াংশৰ সমান।"
[ছহীহ] [(বুখাৰী)]

হাদীছটোত আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে যে, এজন ব্যক্তিয়ে আন এজন ব্যক্তিক (ক্বুল হুৱাল্লাহু আহাদ) প্ৰত্যেক ৰাতিত বাৰে বাৰে পাঠ কৰা শুনা পায়, তেওঁ ইয়াতকৈ বেছি নপঢ়ে। পিছদিনা পুৱাৰ ভাগত তেওঁ বিষয়টো ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক জনালে। ব্যক্তিজনে বিষয়টোক একেবাৰে কম বুলি জ্ঞান কৰিছিল। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে বিষয়টোৰ গুৰুত্ব বুজাই ক'লেঃ সেই সত্তাৰ শপত! যাৰ হাতত মোৰ প্ৰাণ আছে। এই ছুৰাটো হৈছে সমগ্ৰ কোৰআনৰ এক তৃতীয়াংশৰ সমান।

http://sunnah.global/hadeeth/as/show/65261